REFERENCE
for Issue
Available Inside Library

(9)

# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

SEVENTH ~~SIXTH~~ SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. VII

### NO. 19

The 1st April, 1985 18 JUL

REFERENCE
Reading ... Inside Library

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1985

(Budget Session)

**Volume VII**

No. 19

Dated, the 1st April, 1985

Contents | Pages


| | | |
|---|---|---|
| 1. | Questions ... ... | 1—16 |
| 2. | Matter Under Rule 301 .. ... | 16—18 |
| 3. | Laying of Reports and Rules .. | 18 |
| 4. | Government Resolution ... ... | 18—24 |
| 5. | Government Bill ... ... | 25—26 |
| 6. | Adjournment .. ... ... | 26 |

Proceedings of the Seventh Session of the Assam Legislative Assembly assembled after the Seventh General Elections under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur Guwahati on Monday, the 1st April, 1985 with the Hon'ble Speaker in the Chair, 12 (twelve) Ministers, 8 (eight) Ministers of State and 37 (thirty-seven) Members present.

## STARRED

## QUESTIONS AND ANSWERS

(To which oral replies were given)

Dated: 1st April, 1985

**Re: Assam State Lottery**

Shri HARENDRA NATH TALUKDAR asked:

*159. Will the Minister, Finance be pleased to state—

(a) Whether it is a fact that the Assam State Lottery has been running through the Contractor?

(b) If so, since when?

(c) What are the reasons for appointment of the Contractor?

(d) The terms of agreement with the Contractor?

(e) The net profits earned by the Government in the years 1982-83, 1983-84 and 1984-85?

Shri Md. IDRIS (Minister, Finance) replied:

159. (a)—It is not a fact. The Assam State Lotteries are conducted by the State Government. Only the sale of Tickets is made through a Sole Selllng Agent appointed by the State Government for the purpose.

(b)—Does not arise. However the Sole Selling Agent was appointed in October, 1982 for selling Lottery tickets.

(c)—The Sole Selling Agent was appointed for ensuring increased sale of Lottery tickets throughout the Country so that the Lottery can earn profits.

(d)—The Present terms of agreement with the Sole Selling Agent are mainly as follows :—

(i) The number of tickets to be sold by the Sole Selling Agent should not be less than 21 lakhs each week

(ii) He is solely responsible for the sale of the entire lot of tickets issued to him for each draw and no liability on account of unsold tickets vests in Government.

(iii) He is to be paid a service charge of 9 per cent of the gross value of tickets issued for each draw for marketing all the lottery tickets which is inclusive of expenses incurred by him on account of publicity and marketing ;

(iv) The expenditure on account of prize money, printing of tickets and publication of results is borne by Government ;

(v) Unclaimed prizes are forfeited to Government ;

(vi) A security deposit in the form of a bank guarantee equivalent to the gross value of tickets for three consecutive draws (excluding the amount of service charge and agents commission) has to be furnished by the Sole Selling Agent ;

(vii) Advance payment in cash or bank draft is required to be paid by the Sole Selling Agent before tickets are issued to him ;

(viii) The Sole Selling Agent is authorised to appoint his own agent and stockists at his own risk and responsibility;

(xi) The agreement is valid for one year.

(e) The net profit earned are :—

1982-83 Rs. 26.65 lakhs. 1983-84 Rs. 94.96 lakhs. 1984-85 Rs. 78.00 lakhs (approx).

Shri HARENDRANATH TALUKDAR—Sir, the Finance Minister is lucky as the financial year has just started with a profit of Rs. 78 lakhs in this year. May I know from the Finance Minister whether at any time the lottery was closed or discontinued?

Shri Md. IDRIS (Minister)—Yes, Sir during this year 1984-85 we had to forgo 8 draws.

Shri HARENDRANATH TALUKDAR—What were the reasons for this discontinuation?

Shri Md. IDRIS (Minister)—This is due to a change in one the system of appointing Sole Selling agents. Previously there was only one sole selling agent. This year we have decided to appoint two of them. For processing this there was some delay for which we had to forgo 8 draws. At the same time I can inform the House that we will earn better profit due to this change and hence the missing draws will not affect the money earning.

Shri HARENDRANATH TALUKDAR—He has replied that since October, 1982 the Sole Agent was appointed. Whether that agent is still continuing?

Shri Md. IDRIS (Minister)—Yes, Sir.

Shri HARENDRANATH TALUKDAR—For how many years he has been given agency.

Shri Md. IDRIS (Minister)—The term is for one year and so after the expiry of the last year the term was renewed for 1984 and again it has been renewed.

Shri HARENDRANATH LALUKDAR—How this profit money is utilised ?

Shri Md. IDRIS (Minister)—Sir, the total money received from selling of tickets are deposited with the Government. 75 per cent of the net profit is distributed to the various organisations for promotion of cultural, educational and social activities under the rules. Out of 75 per cent, 25 per cent is given to Dr. B. Barua Cencer Institute and the balance 50 per cent is given to other institutions and individuals for promotion of educational, cultural and social activities.

Shri HARENDRANATH TALUKDAR.—Mr. SPEAKER, Sir, whether there is a committee to select these organisations or institutions ? Is there any Committee to distribute this fund and select the organisations or institutions ?

Shri Md. IDRIS (Minister).—Yes, Sir, there is a Committee to distribute this fund. The Committee consists of Minister, Finance, Minister, Education; Minister Health; Minister, Social Welfare; Chief Secretary as Member and the Financial Commissioner as the Member Secretary of the Committee.

Shri HARENDRA NATH TALUKDAR.—Sir, how many times this Committee sat for the selection ?

Shri Md. IDRIS, (Minister).— Sir, I had the fortune to sit only once in the last one year.

Shri BINOY KUMAR BASUMATARI.—Sir, what are the reasons for changing from one to two sole agents ? Was there any occasion of difference between the original sole selling agent and the Directorate ?

Shri Md. IDRIS (Minister).—No, Sir, there was no difference but the sole motive of changing is the Financial gain.

Shri ALTAF HOSSAIN MAZUMDAR.—Sir, will the Hon'ble Minister be pleased to submit a list of beneficiaries in the House so that we may know which institutions have received the grants ?

Shri Md. IDRIS, (Minister).—Sir, I will read out the list.

| | | |
|---|---|---|
| 1. | Dr. B. Barua Cancer Institute ... | Rs. 3,34,768.00 |
| 2. | Gauhati Commerce College ... | Rs. 1,00,000.00 |
| 3. | Gurucharan College, Silchar ... | Rs, 1,00,000.00 |
| 4. | Aryya Vidyapith College ... | Rs. 25,000.00 |
| 5. | Nowgong Bengali Natya Mandir ... | Rs. 50,000.00 |
| 6. | Nazira Music College ... | Rs. 50,000.00 |
| 7. | Nazira Mazdoor Kala Kristi ... | Rs. 10,000.00 |
| 8. | South Golapara Bodo Cultural Committee | Rs. 10,000.00 |
| 9. | Raisumi Sangeet Academy, Kokrajhar ... | Rs. 15,000.00 |
| 10. | Purba Bharati, Nalbari ... ... | Rs. 25,000.00 |
| 11. | Janamangal Adarsha Andha Vidyalaya ... | Rs. 10,000.00 |
| 12. | Assam Sewa Samiti, Guwahati ... | Rs. 25,000.00 |
| 13. | S. O. S. Village, Bhakatpara ... | Rs. 40,000.00 |
| 14. | S. O. S. Hojai ... ... | Rs. 40,000.00 |
| 15. | Indian Council of Child Welfare, Tezpur Branch. ... | Rs. 40,000.00 |
| 16. | Teliapatty Puthibharal, P. O. Lahowal ... | Rs. 10,000.00 |
| 17. | Pragati Sangha, Mandia ... ... | Rs. 25,000.00 |
| 18. | Subonsiri Ashram North Lakhimpur ... | Rs. 10,000.00 |
| 19. | Mitur Ashram, Borkhola ... ... | Rs. 10,000.00 |
| 20. | Athkhel Ashram, Geleki ... ... | Rs. 10,000.00 |
| 21. | Natun Kamalabari Satra ... ... | Rs. 10,000.00 |

22. Assam Sectt. Sports & Cultural Organisation, Dispur. ... Rs. 25.000.00

23. Azan Peer Dargah Committee ... P. O. Nakachari. ... Rs. 25.000.00

This is the distribution list for the last year.

বি: পদ্নথিমাৰী নৈৰ বান্ধ

শ্ৰীমথদ্ৰা ডেকাই সদ্ধিছে:

*১৬০। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনদ্গ্ৰহ কৰি জনাবনে—

(ক) যোৱা চেপ্তেম্বৰ মাহত হোৱা প্ৰলয়ংকৰী বানত পদ্নথিমাৰী নৈৰ বান্ধ বন্ধা কামত কিমান টকা খৰছ কৰা হৈছে জনাবনে?

(খ) বান পানীৰ আগত উক্ত নৈৰ ৰক্ষণাবেক্ষণত কিমান টকা খৰছ কৰা হৈছে বিতংভাৱে জনাবনে?

(গ) যোৱা বানপানীৰ সময়ত পদ্নথিমাৰী নৈৰ কামত ঠিকা কৰা ঠিকাদাৰ সকলৰ নাম আৰদ্ প্ৰত্যেককে কিমান টকাৰ ঠিকা দিয়া হৈছিল জনাবনে?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসদমতাৰী (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

১৬০। (ক)—বান্ধ বন্ধা কামত মদঠতে ১,৯৫,০০০·০০ টকা খৰছ কৰা হৈছে।

(খ) বানপানীৰ আগত উক্ত নৈৰ ৰক্ষণা-বেক্ষণত খৰছ হোৱা টকা বিতং ভাবে তলত দেখদ ৱা হল:—

(১) মঠাউৰীৰ কিছদ অংশ শক্তিশালী কৰাৰ বাবদ ২১,২৩,৫৫৪.০০

(২) মঠাউৰীৰ খহনীয়া প্ৰতিৰোধৰ বাবদ ১৬,৭০,১৪০.০০

সৰ্বমদঠ—৩৭,৯৩,৬৯৪.০০

(গ)—ঠিকাদাৰ সকলৰ নাম ও টকাৰ পৰিমাণৰ তালিকা এখন সদনত উপস্থাপন কৰা হল।

## Re: Subsidiary Health Centre

Shri BARKAT ULLAH asked:

*161. Will the Minister, Health be pleased to state—

(a) Whether it is a fact that the Government has decided to establish a Subsidiary Health Centre at Buhragohainthan under Hajo Revenue Circle ?

(b) If so, whether the establishment of the Subsidiary Health Centre as proposed will be started within this financial year ?

Dr. BHUMIDHAR BARMAN, (Minister, Health) replied:—

161. (a) Yes.

(b) —The plan and estimate for the works are being awaited from Public Works Department and on receipt thereof, Administrative approval to start the work will be issued.

শ্ৰীবৰকটউল্লা ঃ— মন্ত্ৰী মহোদয়ৰ পৰা মই এটা কথা জানিব বিচাৰিছো ৭ ম পাচবছৰীয়া পৰিকল্পনাৰ প্ৰথম বছৰতে এই ডাক্তৰখানাৰ কাম আৰম্ভ হব নে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্ৰী) ঃ—গড়কাপ্তানি বিভাগৰ পৰা আগতে আহিলে আমি আগতে আৰম্ভ কৰিব পাৰিলোহেতেন।

## Re: Trainees in Hindi Training College

Shri HEMEN DAS, asked:—

*162. Will the Minister, Education be pleased to State

(a) The number of trainees in Hindi Training College North Guwahati in 1984 ?

(b) Whether it is a fact that the trainees undertook an educational excursion in November and December, 1984 ?

(c) If so, the number of Railway tickets booked on 5th November 1984 for the excursion party ?

Shri NAGEN NEOG (Minister of State, Education) replied :

162 (a)—62.

(b)—Yes.

(c)—One ticket purchased for 72 persons.

শ্ৰীমথুৰা ডেকা :—মাননীয় অধ্যক্ষ মহোদয়, এই এডুকেচন এক্সকাৰ্চনত কিমানজন মানুহ গৈছিল।

শ্ৰীনগেন নেওগ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, আমাৰ ৰেকৰ্ড মতে ৬৬ জন ছাত্ৰ আৰু ৪ জন কলেজ ষ্টাফ গৈছে।

শ্ৰীমথুৰা ডেকা :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নেকি যে তেওঁখেত সকলৰ লগত পৰিয়ালবৰ্গও গৈছিল নেকি ?

শ্ৰীনগেন নেওগ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, তেনেকুৱা ৰেকৰ্ড নাই।

বিঃ ধেমাজীৰ শৈল চিকিৎসালয়

শ্ৰীদুৰ্গেশ্বৰ পাতিৰে সুধিছে :

*১৬৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ধেমাজী মহকুমাৰ শৈল চিকিৎসালয় খনিৰ শুভাৰম্ভ কিমান বছৰৰ পিচত হব ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৬৩। শৈল্য চিকিৎসালয় খনিৰ শুভাৰম্ভ কাম অতি সোনকালেই হব বুলি আশা কৰা হৈছে। হস্পিতেল ঘৰত বৈদ্যুতিকৰণৰ কাম বাকী থকাৰ কাৰণে শুভাৰম্ভ কৰিব পৰা নাই। বিদ্যুত যোগানৰ বাবে ট্ৰেন্সফৰ্মাৰৰ কাম সমাধা কৰিবলৈ বিদ্যুত বৰ্ডক ২,৪২,৫০৪ টকা ১৭।৮।৮৪ তাৰিখেই জমা দিয়া হৈছে।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ :— এই হস্পিটলৰ কাৰণে ২ বছৰ আগতে ডাক্তৰ পোষ্টিং হৈছে কিন্তু বিনা কামী ডাক্তৰ বহি আছে। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা এই এপ্ৰিলৰ ভিতৰতে শুভাৰম্ভ হব বুলি আশ্বাস পাব পাৰোনে ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্ৰী) :— তাৰ আগতে শুভাৰম্ভ কৰাৰ কাৰণে আমি প্ৰস্তুত আছো। বিদ্যুত মন্ত্ৰী মহোদয়ে যদি এতিয়াই কৰি দিয়ে আমি লগে লগে কৰিম।

শ্ৰীমথুৰা ডেকা :— বিদ্যুত মন্ত্ৰী মহোদয়ক কেতিয়াবা মন্ত্ৰী মহোদয়ে ব্যক্তিগতভাৱে কৈছিল নেকি ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্ৰী) :— পইছা জমা দিয়াই আছে তেওঁলোকে এতিয়া কৰিব লাগে।

শ্ৰীমথুৰা ডেকা :— নহয় মই জানিব বিছাৰিছো ব্যক্তিগতভাৱে কৈছিল নেকি ?

ডাঃ ভূমিধৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্ৰী) :—ব্যক্তিগতভাৱে কৈছো আৰু তেখেতেও যত্ন লৈ আছে।

**Re : Morning Shift in Lumding College**

Shri DEBESH CHAKRABORTY asked :

* 164. Will the Minister, Education be pleased to State —

(a) Whether permission to open Morning Shift in Lumding College has been accorded by Government ?

(b) If so, whether necessery allowances are also paid to the teachers and staff for teaching in the Morning Shift ?

Shri LOUIS ISLARI (Minister of State, Education) replied :

164. (a)—Yes.

(b)—A proposal in this regard is under consideration. For your information Sir, I may say that necessary sanction has been given.

Re : C. I. Sheet.

Shri MOHAMMAD ALI asked :

* 165. Will the Minister, Rural Development be pleased to state –

(a) Whether it is a fact that C. I. Sheet supplied to the school building work under RLEGP named Kasalya Das, L. P. School under Balijana Dev. Block within Goalpara District is of inferior quality ?

(b) If so, whether it is a fact that the weight of each of the Bundle of C. I. Sheet so supplied is 100 K. G. ?

(c) If not, the reasons for supply of such C. I· Sheets by the Project Director, Goalpara D R D.A. and B. D. O. Balijana ?

Shri RAGHUNATH PAMEGUM (Minister, Rural Development) replied :

165. (a)—No.

(b)—No. the weight of each bundle is 88-92 K. G.

(c)—Does not, arise.

শ্ৰীমহম্মদ আলি :— ৰাইজৰ পৰা অভিযোগ পোৱাৰ পাছত মই নিজে তালৈ গৈছিলো আৰু দেখিছিলো পাতল টিনপাত কম ওজনৰ যোগান ধৰা হৈছে। গতিকে মন্ত্ৰী মহোদয়ে এই সম্পৰ্কে কি কয় ?

শ্ৰীৰঘু নাথ পামেগাম (গ্ৰাম্য উন্নয়ন মন্ত্ৰী) :— মোৰ হাতত থকা তথ্যমতে যি ধৰণৰ টিনপাত দিব লাগে হিন্দুস্থান জি সি আই চিট ০·৬৩ এম্ এম্ ঠিকনেস্ তাকেই দিয়া হৈছে। এই প্ৰশ্নটো পোৱাৰ পাছত আমাৰ দি আৰ দিএৰ অফিছাৰ পঠিয়ায় অৰ্থাৎ কশল্যা এলপি স্কুললৈ পঠিয়ায় তদন্ত কৰা হল সেই তদন্তত যি ধৰণৰ জি চি আই চিট হব লাগে তেনে ধৰণৰ যোগান ধৰা হৈছে বুলি প্ৰতিবেদন পাইছো।

শ্ৰীদুৰ্গেশ্বৰ পাটিৰ :— আমাৰ বৰদলনিৰ গাওঁৰ কয়মাৰী এলপি স্কুলত এলুমিনিয়ামৰ চি আইচিট দিছে মন্ত্ৰী মহোদয়ে এই কথা জানেনে ?

শ্ৰীৰঘু নাথ পামেগাম (মন্ত্ৰী) :— তাৰ কাৰণে বেলেগে প্ৰশ্ন লাগিব।

Shri BAJLUL BASIT.—What is the price of the GCI sheet ?

Shri RAGHUNATH PAMEGUM (Minister).—Sir, the price of GCI sheet, excluding taxes, is Rs. 1270 per bundle.

শ্ৰীমহম্মদ আলি :— মন্ত্ৰী মহোদয়ে তদন্ত কৰি চায় সেই চি আই চিট দিছেনে নাই এই সম্পৰ্কে পদৰ ফাহিয়াই চাব নে ?

শ্ৰীৰঘু নাথ পামেগাম (মন্ত্ৰী) :— নিশ্চয় কম্পিটেড বেচিচত কৰিছে কিয়নো দিফাৰেন্স অলপ হৈছে।

শ্ৰীবৰকটউল্লা :— এই টিনপাত বিলাক কেতিয়া আৰু কোন তাৰিখত কিনা হৈছিল মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) : সেই খবৰটো মোৰ হাতত নাই।

বিঃ সমবায় সমিতিৰ নিৰ্ব্বাচন ।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰে সুধিছে :

*১৬৬। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গুৱাহাটী মহকুমাৰ অন্তৰ্গত ছয়গাওঁ পান্টান গাওঁ পঞ্চায়ত সমবায় সমিতিৰ ২৯।১১।৮৪ তাৰিখত হোৱা নিৰ্ব্বাচন কোন উপবিধি মতে কৰা হৈছিল ?

(খ) উক্ত নিৰ্ব্বাচন পৰিচালনা কৰা কৰ্ম্মচাৰী জনে শ্ৰীৰমেশ বড়োক সভাপতি নিৰ্বাচিত হোৱা বুলি উক্ত সাধাৰণ সভাত ঘোষণা কৰা কথা চৰকাৰে জানেনে ?

(গ) সহকাৰী পঞ্জীয়কে এতিয়ালৈ কিয় অনুমোদন জনোৱা নাই ?

শ্ৰীউপেন্দ্ৰ দাস (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

১৬৬। (ক)—গাওঁ পঞ্চায়ত সমবায় সমিতিৰ ১৮ নং উপবিধি অনুসৰি নিৰ্বাচনৰ কাম সমাপন কৰা হৈছিল ।

(খ)—জানে ।

(গ) ৬৩ জন সদস্যই উক্ত নিবৰ্বাচন পৰিচালনা ত্ৰুটীপূৰ্ণ বুলি আপত্তি দৰ্শোৱাৰ পিচত চৰকাৰে তদন্ত সাপেক্ষে নিবৰ্বাচিত কমিটিখনৰ অনুমোদন স্থগিত ৰাখে। বিষয়টো বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে চৰকাৰে এই ৰমেশ বড়ো নামৰ লোকজন সভাপতি নিৰ্বাচিত হোৱা জানেনে নাজানে আৰু যদি জানে বুল মতে সহকাৰী পঞ্জীয়কে এইটো এপ্ৰোভেল দিয়াৰ কথা মন্ত্ৰী মহোদয়ে জানেনে নে নাজানে, যদি জানে সেই উপবিধি মতে সহকাৰী পঞ্জীয়কে এপ্ৰোভেল দিয়া নাই কাৰণে সংশ্লিষ্ট সহকাৰী পঞ্জীয়কৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্হা লবনে ? নিয়মতে সহকাৰী পঞ্জীয়কে এপ্ৰোভেল দিয়াৰ পিচত আৰ-চি-এচলৈ আহিব পাৰে আৰু তাৰ পিচতহে চৰকাৰে আইনমতে হস্তক্ষেপ কৰিব পাৰে

শ্ৰীউপেন্দ্ৰ দাস (সমবায় মন্ত্ৰী) :— এটা আপত্তি আহিছিল এই সম্পৰ্কে চৰকাৰৰ ওচৰলৈ আৰু তেনেকুৱা ক্ষেত্ৰত চৰকাৰে বিচাৰ কৰি চায়। ভালেকেইজন সদস্যৰ আপত্তি আছে বুলি দৰ্খাস্ত কৰিছিল আৰু সেই দৰ্খাস্তৰ মৰ্ম্মে ৰিপোৰ্ট কল কৰি চাবলৈ দিয়া হৈছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰঃ— দৰ্খাস্তৰ ওপৰত চৰকাৰে কৰিব নোৱাৰে। ইয়াৰ কাৰণে সাংবিধানিক নিয়ম আছে। কিয়নো সংবিধান মতে নিৰ্ব্বাচন হৈছে আৰু সেইটো সংবিধানমতে এপিল কৰিবলৈ আহিব পাৰে কিন্তু কেৱল দৰ্খাস্ত এখনৰ ওপৰত ব্যৱস্হা লোৱা নিয়ম নহয়। মই জানিব বিচাৰিছো যে সহকাৰী পঞ্জীয়কে এপ্ৰোভেল দিয়াৰ নিয়ম কিয় মানি চলা নাই তাৰ কাৰণে তেনে বিষয়াৰ ওপৰত ব্যৱস্হা লবনে জানিব বিচাৰিছো। যদি কিবা টকা আত্মসাৎ কৰাৰ কথা ঘটিছে সেইটো সুবিধা দিব নালাগে তাৰ কাৰণে তদন্ত কৰি ৰিপোৰ্ট প্লেচ কৰিব লাগে যাতে সমবায়ৰ টকা কোনো ভাবে আত্মসাত কৰিব নোৱাৰে তাৰ ব্যৱস্হা লব লাগে।

শ্ৰীউপেন্দ্ৰ দাস (সমবায় বিভাগৰ মন্ত্ৰী) :— যিটো আপত্তি দিছিল সেইটো আপীল নহলেও দৰ্খাস্তৰ মৰ্ম্মে দিয়াৰ কাৰণে তাৰ ওপৰত ভিত্তি কৰি এইটো অনুমোদন দিয়া হৈছে। ৰিপোৰ্ট কল কৰিয়েই দিয়া হৈছে আৰু যদি টকা পইচা আত্মসাৎ কৰিছে সেইটো চাম।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— ৰুলমতে সহকাৰী পঞ্জীয়কে এপ্ৰোভেল দিব লাগে এইটো কিয় দিয়া হোৱা নাইকিয় সেইটো মোৰ প্ৰথম জানিবলগীয়া কথা। তাৰ পিচত চৰকাৰে আপীল লৈ থাকক তাত আমাৰ আপত্তি নাই। আইনমতেও তাত বাধা নাথাকিব।

শ্ৰীউপেন্দ্ৰ দাস (সমবায় মন্ত্ৰী) :— ৰিপোৰ্ট আহি পালে ষ্টে অৰ্ডাৰ ভেকেট কৰি দিয়া হব।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— সহকাৰী পঞ্জীয়কে কিয় এপ্ৰোভেল দিয়া নাই। টি-এচ-পি এৰিয়া আৰু ট্ৰাইবেল লোকক সভাপতি পাতিছে কাৰণেই চৰকাৰে বেয়া পাইছে নেকি ?

শ্ৰীউপেন্দ্ৰ দাস (সমবায় মন্ত্ৰী) : এইটো অধ্যক্ষ মহোদয়, ট্ৰাইবেল বা অনা ট্ৰাইবেল বুলি কাকো উপেক্ষা কৰিব বিচৰা নাই। সেইমতে কাম কৰাও হোৱা নাই। আপত্তি দৰ্শাই দৰ্খাস্ত কৰিলে সেইটো বিচাৰ কৰিবলৈ চৰকাৰ বাধ্য সেই কাৰণেই ৰিপোৰ্ট বিচাৰি এনে ভাৱে ব্যৱস্হা লোৱা হৈছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— চৰকাৰে ৰাইজৰ পৰা নিৰ্বাচন হব লাগে বুলি যেতিয়া পাইছিল তেতিয়া নিৰ্বাচন কৰিবলৈ দিলে আৰু নিৰ্বাচন হৈ যোৱাৰ পিচত সভাপতি আদি নিৰ্বাচিত হৈ যোৱাৰ পিচত চৰকাৰে এনে ভাৱে বন্ধ কৰি দিয়াটো আমি নীতিগতভাবে সমৰ্থন কৰিব নোৱাৰো। মন্ত্ৰী মহোদয়ে যিহেতু নিৰ্বাচনৰ নিৰ্দেশ দিছিল গতিকে সহকাৰী পঞ্জীয়কক এপ্ৰোভেল দিয়াৰ কাৰণে নিৰ্দেশ দিব নে নিদিয়ে জানিব বিচাৰিছো।

শ্ৰীউপেন্দ্ৰ দাস (সমবায় মন্ত্ৰী) :— এপ্ৰোভেলৰ কথা ৰিপোৰ্টৰ পিচত আহিব।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— আইন মতে ইয়াত ৰিপোৰ্টৰ প্ৰশ্ন নাহে। নিৰ্বাচন হলেই সহকাৰী পঞ্জীয়কে এপ্ৰোভেল দিব লাগে। চৰকাৰে তেনে অৰ্ডাৰ দিবনে ?

শ্ৰীউপেন্দ্ৰ দাস (সমবায় মন্ত্ৰী) :— আৰ-চি-এচে অৰ্ডাৰ দিছে সেইটো ভুল হৈছেনে ভাল হৈছে সেইটো বিবেচনা কৰি চাব লাগিব।

শ্ৰীবৰকটউল্লা :— মাননীয় মন্ত্ৰী মহোদয়ে কৰপোৰেশ্বন আইনৰ ৮০ ধাৰাত কি আছে পঢ়ি শুনাবনে ?

শ্ৰীউপেন্দ্ৰ দাস (সমবায় মন্ত্ৰী) :— এইটো ৰুল মতে ৮০ ধাৰা মতে আপীল কৰিব পাৰে। এতিয়া তদন্তৰ ৰিপোৰ্ট পালেই ব্যৱস্থা লোৱা হব।

শ্ৰীবৰকটউল্লা :— এইটো ক্ষেত্ৰত ৮০ ধাৰা মতে চেলেঞ্জ কৰা হোৱা নাই। এপ্ৰোভেলো দিয়া হোৱা নাই। গতিকে আইনমতে আপীল ৰাখিব নোৱাৰে। কাৰণ এইটো এই ভাৱে আছে।

শ্ৰীউপেন্দ্ৰ দাস (সমবায় মন্ত্ৰী) :— আইন খন বৰ্ত্তমান মোৰ লগত নাই। এইটো ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰি ষ্টে কৰি দিয়া আছে তদন্তৰ ৰিপোৰ্ট পালে ব্যৱস্থা লোৱা হব।

শ্ৰীবৰকটউল্লা :— এইটো পেণ্ডিং ৰাখিব লাগে অধ্যক্ষ মহোদয়,। যিটো প্ৰভিজন আছে সেই-মতে চৰকাৰে ইন্টাৰফিয়াৰ কৰিলে হব পাৰে কিন্তু কোৱাপাৰেশ্বন আইন মতে এইটো হোৱা নাই।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ :— অধ্যক্ষ মহোদয়, এইটো প্ৰশ্ন স্থগিত ৰাখিব লাগে।

Mr. Speaker:—This question is kept Pending.

**বিঃ চাউল জব্দ**

শ্ৰীমধুৰা ডেকাই সুধিছে।

*১৬৭। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা ১০।৪।৮৪ ইং তাৰিখে বাইহাটা চাৰিআলিত ২২৫ কুইন্টল চাউল জব্দ কৰা সম্বন্ধে জানেনে ?

(খ) যদি জানে উক্ত জব্দ কৰা চাউল যোগান পৰিদৰ্শকে ১১।৪।৮৪ ইং তাৰিখে ১০,০০০ (দহ হেজাৰ) টকা লৈ চাউল বোৰ খালাচ দিয়া হয়নে ?

(গ) ৰাঙিয়া সংমণ্ডল বিষয়াৰ ওচৰত এই বিষয়ে ১৭।৪।৮৪ তাৰিখে তদন্ত কৰাৰ বিষয়ে আবেদন জনোৱা সম্বন্ধেও চৰকাৰে জানেনে ?

(ঘ) যদি জানে অনুসন্ধান প্ৰতিবেদনৰ বিষয়ে জনাবনে ?

শ্ৰীনগেন নেওগ (যোগান বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৬৭। (ক)—যোৱা ১০।৪।৮৪ ইং তাৰিখত বাইহাটা চাৰিআলিত দুজন ব্যক্তিগত ব্যৱসায়ী শ্ৰীহৰি ৰাম শৰ্মা আৰু শ্ৰীবিজয় কুমাৰ আগৰৱালাৰ পৰা যথাক্ৰমে ২৯০ কুইণ্টল চাউল ৩১৫০ কুইণ্টল নিমখ ৪.৯০ কুইণ্টল ধান আৰু ১০ কুইণ্টল বিলাটি মাটি জব্দ কৰা হৈছিল।

(খ) কমলপুৰৰ যোগান বিভাগৰ পৰিদৰ্শক শ্ৰীডি, শৰ্মাই কমলপুৰৰ উপপ্ৰতি সমহৰ্ত্তা শ্ৰীজে, দি, লহকৰৰ উপস্থিতিত সেই দিনাই উপায়ুক্তই জব্দ কৰা মালখিনি বাইহাটা চাৰিমালিৰ ওম প্ৰকাশ আগৰৱালাৰ ওচৰত জমা ৰাখে আৰু ১০,০০০ টকালৈ ২১৫ কুইণ্টল চাউল খালাচ সম্পৰ্কে কোনো নথি পত্ৰ নাই। চৰকাৰৰ নথি পত্ৰ অনুযায়ী জব্দ কৰা মালখিনি এতিয়ালৈ এৰিদিয়া হোৱা নাই।

(গ) —১৭।৪।৮৪ ইং তাৰিখত [এই বিষয়ে] অনুসন্ধান কৰাত এই বিষয়ে একো পোৱা হোৱা নাই।

(ঘ) —উল্লেখনিয় নহয় ।

শ্ৰীমথুৰা ডেকা ঃ— অধ্যক্ষ মহোদয়, মই ৰঙিয়াৰ মহকুমাধিপতিৰ ওচৰত আবেদন জনাইছিলো আৰু তাৰ পিচত পুলিচ থানালৈ আনি সাক্ষ্য লৈছিল এইটো কথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীনগেন নেওগ ঃ— চাৰ, এই সম্পৰ্কে কোনো আবেদন পোৱা নাই

শ্ৰীমথুৰা ডেকা ঃ— গোটেই ঘটনাৰ বাবে এটা স্থানীয় তদন্ত হব লাগে। জিম্মাদাৰী সকলেও চহী দিছিল গতিকে গোটেই কথাটোৰ এটা তদন্ত হব বুলি প্ৰতিশ্ৰুতি মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো।

শ্ৰীনগেন নেওগ ঃ— তদন্ত কৰা হব চাৰ।

বিঃ ষ্টেট্‌ফেদৰ কৰ্ম্মচাৰীৰ সংখ্যা

শ্ৰীমথুৰা ডেকাই সুধিছে ঃ

* ১৬৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম ষ্টেটফেদৰ বৰ্ত্তমান কৰ্ম্মচাৰীৰ সংখ্যা কিমানজন জনাবনে ?

(খ) ষ্টেট্‌ফেদৰ কৰ্ম্মচাৰীৰ দৰমহা বাবদ বছৰি কিমান টকা খৰচ কৰা হয় জনাবনে ?

(গ) বৰ্ত্তমান বছৰত ষ্টেট্‌ফেদৰ বেংকৰ ওচৰত কিমান টকা ধাৰ আছে আৰু বছৰি এই ধাৰৰ বাবদ কিমান সুত ভৰিব লগা হয় জনাবনে ?

(ঘ) ৰাজ্যিক চৰকাৰে যোৱা দুটা বছৰত কি পৰিমাণে সাহাৰ্য্য দিছে জনাবনে ?

শ্ৰীউপেন্দ্ৰ দাস (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১৬৮। (ক)—১৬৪৬ জন।

(খ)—১ কোটি ৪৯ লক্ষ ২৫ হাজাৰ (১৯৮৩-৮৪ বছৰৰ ভিত্তিত)।

(গ)—যোৱা ২৮।২।৮৫ তাৰিখলৈ ষ্টেটফেদে বেংকৰ পৰা ৬৮ কোটি ১৫ লক্ষ ২৬ হাজাৰ টকা ধাৰ লৈছে। এই ধাৰৰ বছৰেকীয়া সুতৰ পৰিমাণ প্ৰায় ১০ কোটি টকা।

(ঘ) —যোৱা দুবছৰত (১৯৮২-৮৩ আৰু ১৯৮৩-৮৪ চনত) চৰকাৰে দিয়া সাহাৰ্য্য এনে ধৰণৰ ঃ—

| | ১৯৮২-৮৩ | ১৯৮৩-৮৪ |
|---|---|---|
| ১। খাদ্য ভড়াল নিৰ্ম্মাণৰ বাবে সাহাৰ্য্য | যোল লাখ পঞ্চাশ হাজাৰ টকা | — |
| ২। মূল ধনৰ অংশৰ বাবদ | — | দহ লাখ টকা |

ইয়াৰ উপৰিও ঋণ হিচাবে যোৱা দুবছৰত নিম্ন উল্লেখিত বিত্তীয় সাহায্য দিয়া হৈছে ঃ—

| | ১৯৮২-৮৩ | ১৯৮৩-৮৪ |
|---|---|---|
| ১। খাদ্য ভড়াল নিৰ্ম্মাণৰ বাবে দীৰ্ঘ ম্যাদী ঋণ | — | এঘাৰ লাখ টকা |
| ২। বনস্পতি উদ্যোগ স্থাপনৰ বাবে দীৰ্ঘ ম্যাদী ঋণ | ছয়ষষ্ঠি লাখ টকা | তেৰস্ন লাখ তেইশ হাজাৰ টকা |
| ৩। ব্যৱসায় সম্প্ৰসাৰণৰ বাবে দীৰ্ঘ ম্যাদী ঋণ | আশী লাখ টকা | তিনি লাখ পঞ্চাশ হাজাৰ টকা |
| ৪। কৃষি সামগ্ৰী বিতৰণৰ বাবে হ্ৰস্ব ম্যাদী ঋণ | এক কোটি পাচ লাখ টকা | এক কোটি বিয়াল্লিশ লাখ টকা |

শ্ৰীমথুৰা ডেকাঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো এই ১৬৪৩ জন কৰ্ম্মচাৰীক যে দৰমহা দি আছে তেওঁলোকক মেনেজোৰিয়েল চাৰ্বাচিড দিয়া হয় নেকি ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, স্বয়ংচালিত ভাবে চলি আছে। গতিকে মেনেজাৰিয়েল চাৰ্বাচিড দিয়া হোৱা নাই।

শ্ৰীমথুৰা ডেকাঃ মেনেজাৰিয়েল চাৰ্বাচিড কিমান দিছে, মন্ত্ৰী মহোদয়ে জনাব নেকি?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, মেনেজাৰিয়েল চাৰ্বাচিড নাই। কাৰণ ষ্টেটফেদখন স্বয়ং চালিত ভাবে চলাই থাকিব পৰা হৈছে। চছাইটি গঠন হোৱাৰ লগতে মেনেজোৰিয়েল চাৰ্বাছিদ দিয়া হয়।

শ্ৰীমথুৰা ডেকা: অধ্যক্ষ মহোদয়, গুদামৰ কাৰণে যি টকা ধাৰ দিয়া হৈছে সেই টকাৰে ব্যৱসায় চলি থাকিব পাৰে নেকি?

Mr. SPEAKER.—No, no, my point is that the Hon'ble Member must not teach the Hon'ble Minister. He is only to put question. You are not required to teach. You are allowed to put supplementaries.

শ্ৰীমথুৰা ডেকা: অধ্যক্ষ মহোদয়, সুত কমাবৰ কাৰণে চৰকাৰে কিবা ব্যৱস্হা কৰিব নেকি?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী): অধ্যক্ষ মহোদয়, ব্যৱসায় চলি আছে। সেই ব্যৱসায় লাভৰ এটা অংশ সুত হিচাবে পৰিশোধ কৰা হয়। তেওঁলোকক ঋণ দিয়া হৈছে।

শ্ৰীমথুৰা ডেকা: অধ্যক্ষ মহোদয়, ৬ কোটি টকা সুত দিবলৈ বাকী আছে। সেই টকা ৰেহাই দিবৰ কাৰণে চৰকাৰে বিবেচনা কৰিব নেকি?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী): অধ্যক্ষ মহোদয়, বিবেচনা কৰিলে দিবও পাৰে আৰু বিবেচনা নকৰিলে নিদিবও পাৰে।

শ্ৰীমথুৰা ডেকা: অধ্যক্ষ মহোদয়, চৰকাৰ কাক বোলে মন্ত্ৰী মহোদয়ে জনাব নেকি?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এইটো সকলোৰে জানে যে সদস্য সকলক লৈ মন্ত্ৰী সভাখনকে চৰকাৰ বুলি কয় যত সকলো বিভাগৰ কাৰ্য্যপৰিচালনা কৰা হয়। আৰু যাৰ জৰিয়তে টকা পইচা বিভিন্ন বিভাগলৈ দিয়া হয়। ষ্টেটফেডলৈ টকা দিয়া হৈছে। চৰকাৰে বিবেচনা কৰিলে আৰু দিব পাৰে। কিন্তু এক্ট গোটেই খিনি মই নপঢ়ো।

বিঃ ৰাজ্যিক কৃষি বিপনন পৰিষদ

শ্ৰীমথুৰা ডেকাই সুধিছে:

*১৬৯। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এগ্ৰিকালচাৰ মাৰ্কেটিং কৰ্পৰেচনৰ চেয়াৰমেনক বিভাগীয় ভাৱে গাড়ী (এম্বেচেদৰ) দিয়া হৈছে নেকি?

(খ) যদি দিয়া হৈছে, উক্ত গাড়ীখন চেয়াৰমেন মহোদয়ে ভাড়ালৈ দিব পাৰে নেকি?

(গ) যদি পাৰে, উক্ত গাড়ীখন ক'ত কোন দিনা কিমান টকাত ভাড়াত দিছে জনাবনে?

শ্ৰীগোলক ৰাজবংশী (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

১৬১। (ক)—এগ্ৰিকালচাৰ মাৰ্কেটিং কৰ্পৰেচন নামৰ কোনো অনুষ্ঠান অসমত নাই। অৱশ্যে অসম ৰাজ্যিক কৃষি বিপনন পৰিষদৰ (আসাম ষ্টেট এগ্ৰিকালচাৰেল মাৰ্কেটিং বৰ্ড) চেয়াৰমেনক এখন এম্বেচেদৰ গাড়ী দিয়া হৈছে।

(খ)—নোৱাৰে।

(গ)—প্ৰশ্ন নুঠে।

**শ্ৰীমথুৰা ডেকাঃ অধ্যক্ষ মহোদয়, এখন গাড়ী এ, এম, জেদ, ২১২০ নম্বৰৰ ঠিকাদাৰে লৈ ঘূৰি ফুৰে। কিয় ঘূৰি ফুৰে সেইটো মন্ত্ৰী মহোদয়ে জানে নেকি?**

**শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, মাৰ্কেটিং বোডখন ব্যৱসায় বস্ত। গতিকে ব্যৱসায় কথালৈ গাড়ীখন ঘূৰি ফুৰে।**

**শ্ৰীমথুৰা ডেকাঃ অধ্যক্ষ মহোদয়, ই, এন, দি বিভাগৰ ঠিকাদাৰৰ মাৰ্কেটিং বোৰ্ডৰ লগত কি সম্বন্ধ?**

**শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, ই, এন, দি, ৰ ঠিকাদাৰে মাৰ্কেটিং বোৰ্ডৰ কাম কৰিব পাৰে।**

**শ্ৰীমথুৰা ডেকাঃ অধ্যক্ষ মহোদয়, কেনেকুৱা ধৰণৰ ঠিকা কৰে সেইটো মন্ত্ৰী মহোদয়ে জনাব নেকি?**

**শ্ৰীগোলক ৰাজবংশী (মন্ত্ৰী)ঃ অধ্যক্ষ মহোদয়, আইনখন পঢ়ি চালে মাননীয় সদস্যই ভালকৈ বুজি পাব।**

Mr. SPEAKER : Now item No. 2 Shri Mohammed Ali to raise.

## MATTER UNDER RULE 301

শ্ৰীমহম্মদ আলীঃ অধ্যক্ষ মহোদয়, বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৩০১ নং নিয়ম অনুসৰি বালিজান পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতিখন এখন পৰিয়ালৰ সম্পত্তি। এই সম্পৰ্কীয় বিষয়টো মই উত্থাপন কৰিব বিচাৰিছো।

অধ্যক্ষ মহোদয়, আজি দুবছৰ হল এই পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি খনত চেয়াৰমেন জন হৈছে শত্ৰুৰেক আৰু চেক্ৰেটাৰীজন হৈছে ডাঙৰ জোৱাইয়েক। এই দুইজন লাগ লাগি সমবায় সমিতিখন চলাই আছে। বহুত মাননীয় সদস্যই বুজিব পৰা নাই যে এই শহুৰেক জোৱাইয়েকে কেনেকৈ এই সমবায় সমিতিখন চলাই আছে। তেওঁ লোকে চলাই থকাৰ পৰা এই সমবায় সমিতিত বহুত লোকচানও কৰিছে। বহুত সদস্যই মোৰ ওচৰত আপত্তি কৰিছে। গতিকে এই বিষয়টো লৈ মই সদনত উত্থাপন কৰিলো।

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী)ঃ—মাননীয় অধ্যক্ষ মহোদয়, বালিজান গওঁ পঞ্চায়ত সমবায় সমিতিৰ বৰ্ত্তমান সভাপতি শ্ৰীনৃপেন্দ্ৰ দাসৰ লগত সমিতিৰ সম্পাদক শ্ৰীগিৰীষ দাসৰ কোনো পাৰিবাৰিক সম্পৰ্ক আছে বুলি জনানাযায়।

সমিতিৰ বৰ্ত্তমান সভাপতি শ্ৰীনৃপেন দাস উক্ত সমিতিৰ ৮।৯।৮৪ তাৰিখত পতা সাধাৰণ সভাত বিনা প্ৰতিদ্বন্দ্বিতাৰে সভাপতি নিৰ্বাচিত হয়। তেতিয়াৰ পৰা বৰ্ত্ত-মানলৈকে তেওঁ সমিতিৰ সভাপতি হিচাবে কাম চলাই আছে। ইয়াৰ আগতেও শ্ৰীনৃপেন্দ্ৰ দাসে ৩।৭।৭৮ তাৰিখৰ পৰা ১৭।৮।৮১তাৰিখ পৰ্য্যন্ত সমিতিৰ সভাপতি হিচাবে কাৰ্য্যভাৰ চলাই আছিল।

সমিতিৰ বৰ্ত্তমান সম্পাদক শ্ৰীগিৰীষদাস ৮।২।৭৯ তাৰিখৰ পৰা কেডাৰ মেনেজ মেন্ট চোচাইটিৰ দ্বাৰা নিয়োজিত সম্পাদক হিচাবে উক্ত সমবায় সমিতিৰ সম্পাদক হিচাবে কাৰ্য্যভাৰ চলাই আছে।

এই সমিতিৰ সম্পাদক পদত অধিষ্ঠিতথকাৰ সময়তে শ্ৰীগিৰীষ দাসে গোৱালপাৰা জিলাৰ আগিয়া নিৱাসী জনৈক শ্ৰীপ্ৰফুল্ল দাসৰ ছোৱালী শ্ৰীমতী কনিকা দাসক বিয়া কৰায়। উক্ত প্ৰফুল্ল দাসে কেতিয়াও সমিতিখনৰ সভাপতিৰ কাৰ্য্যভাৰ গ্ৰহণ কৰা নাছিল।

উল্লেখ যোগ্য যে অসমৰ সমবায় সমিতিসমূহৰ পঞ্জীয়কে ৭।১১।৮৩ তাৰিখে গঠন কৰি দিয়া এই সমিতিৰ তদৰ্থ কাৰ্য্যকৰী সমিতি আগিয়াৰ শ্ৰীপ্ৰফুল্ল কুমাৰ দাসক সভাপতি হিচাবে নিযুক্তি দিয়ে। কিন্তু উক্ত প্ৰফুল্ল দাস আৰু অন্যান্য নিযুক্তিত সভ্য সকলে এই সমিতিৰ কাৰ্য্যভাৰ গ্ৰহণ নকৰিলে। ফলস্বৰূপে শ্ৰীভৰতাৰণ নাথ নামৰ জনৈক সমবায় বিভাগীয় বিষয়াক এই সমিতিৰ কাৰ্য্যকৰী কমিটীৰ কাৰ্য্যভাৰ চলাই যাবলৈ নিয়োগ কৰা হয়। উক্ত বিভাগীয় বিষয়াৰ দ্বাৰা আহবান কৰা সাধাৰণ সভাত ৮।৯।৮৪ তাৰিখে শ্ৰীনৃপেন্দ্ৰ দাসক সভাপতি হিচাবে লৈ এখন কাৰ্য্যকৰী কমিটী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয় আৰু উক্ত কমিটীয়ে বৰ্ত্তমানলৈকে কাৰ্য্যভাৰ চলাই আছে।

এই সমিতিত ৮।২।৭৯ তাৰিখে যোগদানৰ পিচত শ্ৰীশিৰীষ দাসক কেডাৰ মেনেজমেন্ট সমিতিয়ে অন্যত্ৰ বদলি কৰা নাই নাইবা সমবায় বিভাগৰ পৰাও তেওঁ বদলি কৰিব লাগে বুলি কোনো আদেশ নাইবা পৰামৰ্শ দিয়া হোৱা নাই। কেডাৰ মেনেজমেন্ট সমিতিৰ নিয়োজিত সম্পাদক সকল এখন সমিতিত কিমান দিন থাকিব পাৰে তাৰ কোনো নিৰ্দ্দিষ্ট নিয়ম নাই।

সমিতিৰ বৰ্ত্তমান যি সভাপতি আৰু তেওঁৰ বিৰুদ্ধে সমিতিৰ ধন আত্মসাৎ নাইবা অপপ্ৰয়োগ নাইবা চোৰাং বাৰসায় সম্পৰ্কীয় কোনো তথ্যপাতি বা অভিযোগ পোৱা হোৱা নাই।

শ্ৰীমহম্মদ আলী : এই প্ৰফুল্ল দাসক এধক কমিটিৰ চেয়াৰমেন দিয়া হৈছিল সেই তাৰিখৰ পৰা কিমান তাৰিখলৈকে কাৰ্য্যবাহী অফিচাৰ হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰিছে জনাবনে ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) : এইটো কৈছো যে যেতিয়া তেওঁলোকে ৭।১১।৮৩ গঠন কৰি দিয়া এই সমিতিৰ তদৰ্থ কাৰ্য্যকৰী কমিটিৰ সভাপতি হিচাবে শ্ৰীপ্ৰফুল্ল কুমাৰ দাসক নিযুক্তি দিয়া হয়। কিন্তু উক্ত প্ৰফুল্ল কুমাৰ দাস আৰু অন্যান্য নিৰ্বাচিত সভ্য সকলে এই সমিতিৰ কাৰ্য্যভাৰ গ্ৰহণ নকৰিলে। ফলস্বৰূপে শ্ৰীভৰতৰণ নাথ নামৰ জনৈক সমবায় বিভাগীয় বিষয়াক এই সমিতিৰ কাৰ্য্যকৰী কমিটিৰ কাৰ্য্যভাৰ চলাই যাবলৈ নিয়োগ কৰা হৈছে।

শ্ৰীমহম্মদ আলী ঃ ভৰতাৰণ দাসক কোন তাৰিখৰ পৰা নিয়োগ কৰা হৈছিল ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) ঃ ১৮।৮।৮৩ তাৰিখে কাৰ্য্যবাহী বিষয়া হিচাবে দায়িত্ব লয়।

শ্ৰীমহম্মদ আলী ঃ মই স্পষ্টীকৰণ বিচাৰিছো, যে ৭।১১।৮৩ তাৰিখে প্ৰফুল্ল দাসক এধক কমিটীৰ চেয়াৰমেন দিয়া হৈছিল কিন্তু তেওঁ কাৰ্য্যভাৰ গ্ৰহণ কৰিব নোৱাৰাৰ পাচত ভৰতাৰণ নাথক দায়িত্ব দিয়ে। সেই বিষয়াজনক দায়িত্ব কেতিয়া দিয়া হৈছিল ? হৈছিল ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) ঃ ৭।১১।৮৩ তাৰিখে দিয়া হৈছিল।

শ্ৰীমহম্মদ আলী ঃ প্ৰফুল্ল দাসে দায়িত্ব গ্ৰহণ নকৰাৰ পাচত যে ভৰতাৰণ নাথে দায়িত্ব গ্ৰহণ কৰিলে এই সময় চোৱাৰ পাৰ্থক্য কিমান ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) ঃ ৮।৯।৮৪ তাৰিখৰ সাধাৰণ সভাত কাৰ্য্যকৰী সমিতি গঠন কৰি কাৰ্য্যভাৰ চলাই আছে।

## LAYING OF REPORTS AND RULES

Mr, SPEAKER.—According to him the date must be after 1983. Leave it now. Let us come to Item No. 3. Minister Finance to move.

Shri Md. IDRIS ((Minister, Finance.)—Sir, I beg to lay the 30th Annual Report, 1983-84 of the Assam Financial Corporation.

Mr. SPEAKER.—Now Item No. 4, Minister, Wakf Properties to move.

Smti. SYEDA ANWARA TAIMUR (Minister, Wakf Properties).—Sir, I beg to lay the Assam Wakf Property under unauthorised occupation) Ruler, 1979.

Mr. SPEAKER.—Now Item No. 5. Minister, PWD to move.

## GOVERNMENT RESOLUTION

Smti SYEDA ANWARA TAIMUR (Minister, PWD)—Sir, I beg to move the resolution "whereas with the coming into force of the National Highways' Act, 1956, the Highways declared to be National Highways by or under that Act came under the Legislative jurisdiction of the Central Government ;

Whereas all matters pertaining to the use of the land adjoining National Highways, e. g. restriction of ribbon developments, control of access, removal of encroachment control of road side land use, levy of betterment charges etc. fall within the legislative jurisdiction of State and included as item No. 13 of the State list ;

Whereas this Assembly considers that it is desirable to pass an Act to secure uniformity in the rules, regulations, procedure etc. throughout India ;

Whereas the Parliament has necessary power under Article 249 of the Constitution to legislate with respect to any matter in the State list in the national interest, the tenure of such legislation is limited to a period not exceeding one year.

Now therefore, in exercise of powers conferred by clause (1) of Article 252 of the Constitution of India this Assembly resolves that the Parliament be requested to pass an Act for regulating the matters mentioned above.

Shri BINOY KUMAR BASUMATARI.—Sir, this resolution that is before us is rather a motion of lifting our hands high and all the things which the State can control are giving into the hands of Central Government. Whereas all over the country, particularly the States are now on a move to gain more autonomy for administration and power to the States; and I have here Sir with me the National Highways Act, 1956. I therefore, have reservation and I am not very clear as to why this resolution is necessary whereas Sir, under Clause-6 of this Act it says, I quote "The Central Government may give directions to the Government of any State as to the carrying out in the State of any of the provisions of this Act or of any rule, notification or order made there under." Therefore, Sir, the State Government, with the authority given by the Central Government can carry out all the action necessary for improving the position of the national highways. Here I think Sir, the main idea behind the Resolution is the second para" whereas all matters pertaining to the use of land adjoining National Highways etc. etc." This may be the main issue of the Resolution. Whereas Sir, if we study clause 4 of the Act we find this is already there. Therefore, Sir, I feel, this resolution is

redundant. Clause 4 is like this: All national highways shall vest in the Union, and for the purposes of this Act "highways" include—(i) all land appurtenant thereto, whether demarcated or not; (ii) all bridges, culverts, tunnels, causeways, carriageways and other structures constructed on or across such highways and (iii) all fences, trees, posts and boundary, furlong and mile stones of such highways or any land appurtenant to such highways". Therefore, Sir, clause 4 covers the purpose of the resolution brought before the House by the Government. I have, therefore, my reservation that the proposed resolution is redundant and therefore, I oppose it. I would like to make an appeal to the Government that they should reconsider the resolution, they should study it. I think, as per clause 4, if there be any apprehension with the Government this clause 4 removes this and Government can act fully in consonance with this clause. Whatever obstacle is now faced by this Government can be removed with the authority vested in clause 4.

With these words Sir, I again request the Government to reconsider the resolution.

শ্ৰীমথুৰা ডেকা: অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়াই যি খন বিল বা প্ৰস্তাৱ আনিছে মই তাৰ বিৰোধীতা কৰা নাই কিন্তু দুটামান কথা সংযোগ কৰিবলৈ বিচাৰিছো। নেচনেল হাইওৱেৰ দুই কাষৰ মাটিত বেচা কিনা কৰিব নোৱাৰে। এতিয়া কথা হল এই হাইওৱেৰ কাষত বা দুয়োকাষে বহুত দিনৰ পৰা অনেক মানুহে ঘৰ দুৱাৰ বান্ধি আছিল, ৰাস্তাৰ দুই কাষৰ সেই সকল লোকক ৰক্ষণা-বেক্ষণ দিব লাগিছিল নহলে সেই মানুহ বিলাক এতিয়া কলৈ যাব? সেই মানুহ বিলাকে চৰকাৰী মাটি বেদখল কৰি থকা নাই নীতিগত ভাবেহে খল কৰি আছে। ইতিমধ্যে হাইওৱেৰ ৭০ ফুট আৰু ১২০ ফুট চৰকাৰীকৰণ কৰা চিথাত দেখুওৱা হৈছে। কিন্তু সেই মাটিৰ ক্ষতি পূৰণ দিয়া নাই। এইটো কিছুমান ঠাইৰ মানুহৰ যথেষ্ট অন্যায় হব। গতিকে সেই মানুহ বিলাকক ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণে এই প্ৰস্তাৱৰ ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিলো লগতে গড়কাপ্তানী বিভাগ যিবিলাক ঘাই আলি আছে সেই বিলাকৰ কিছুমান ঠাইৰ কাষত ফিচাৰী খুলিছে আৰু অন্যান্য বজাৰ ইত্যাদি দিছে ফলত ৰাস্তা বিলাক এক্সটেনচন কৰিব পৰা নাই বা ভৱিষ্যতে ৰাস্তাবোৰ ডাঙৰ কৰোতে বাধাৰ সৃষ্টি হব। এইবিলাক কাৰণত কেতিয়াবা থিতাতে ৰাস্তা খহে আৰু গড়াখহনীয়া হয়। এনে ক্ষেত্ৰতো ৰক্ষণা-বেক্ষণ দিয়াৰ কাৰণে ভৱিষ্যতে যাতে প্ৰস্তাৱ আনে তাৰ কাৰণে জনালো।

•শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দুগৰাকীয়ে যিটো কথা কৈছে সেই সন্দৰ্ভত কব বিচাৰো যে অসমত ১০ টা ৰাষ্ট্ৰীয় পথ আছে। এই ৰাষ্ট্ৰীয় পথবোৰ নিৰ্ম্মাণ কৰা উন্নতি কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে টকা পইচা দিয়ে। এই ৰাষ্ট্ৰীয় পথবোৰ কেন্দ্ৰীয় চৰকাৰৰ জাহাজ আৰু পৰিবহন মন্ত্ৰণালয়ে নিয়ন্ত্ৰণ কৰে। কোনো ফলাসু আইনগতঃ ব্যৱস্থা নথকাৰ বাবে ৰাষ্টীয়

পথৰ দুয়োকাষে "ৰিবন ডেভেলপমেণ্ট" বিশেষকৈ নগৰ আৰু নগৰৰ উপকণ্ঠ অঞ্চলত বৃদ্ধি পাইছে, ইয়াৰ ফলত ৰিবন ডেভেলপমেণ্টক বাধা দিয়াত বিশেষ সমস্যা হৈছে। এনেধৰণৰ বে দখলৰ ফলত ৰাষ্ট্ৰীয় পথত স্বাধীনভাৱে যান-বাহন চলাচল কৰাত বাধাৰ সৃষ্টি হৈছে। বাটে-ঘাটে দোকান পোহাৰ আৰু বজাৰ আদি বহুৱাই অস্বাস্থ্যকৰ পৰিবেশ সৃষ্টি কৰা দেখা গৈছে আৰু পথ দুৰ্ঘটনা সঘনে সংঘটিত হৈ আছে। ইয়াৰ বাহিৰেও যিবোৰ অঞ্চলত পথ প্ৰসাৰণৰ আৱশ্যক হয় সেইবোৰ প্ৰসাৰণ কাৰ্য্য সহজে সম্ভৱ নহয় আৰু এইবোৰ কৰোতে বহুত বহুমূলীয়া সময় নষ্ট হয়।

ৰাষ্ট্ৰীয় পথবোৰ সম্পূৰ্ণ কৰাৰ লগে লগে উন্নত সংযোগ আৰু ব্যৱসায়িক সা সুবিধা সৃষ্টি হোৱাৰ কাৰণে ৰাষ্টাত যানবাহনৰ সংখ্যা বাঢ়ে আৰু ৰাষ্ট্ৰীয় পথৰ দুয়োকাষৰ মাটিৰ মূল্য যথেষ্ট বৃদ্ধি পায় কিন্তু চৰকাৰৰ ফালৰ পৰা এই ৰাষ্ট্ৰীয় পথবোৰত যানবাহনৰ প্ৰবেশকৰণত যান-বাহনৰ ওপৰৰ উন্নতিকৰণৰ কৰ আদায় কৰাৰ কোনো আইনগত ব্যৱস্থা এতিয়ালৈকে হোৱা নাই। গতিকে উপৰোক্ত কথাবোৰ বিবেচনা কৰি গোটেই ভাৰতবৰ্ষত নিয়ম সমূহৰ, বিধান সমূহৰ, প্ৰক্ৰিয়া সমূহৰ সামঞ্জস্য ৰাখি বা সমন্বয় ৰাখি ৰাষ্ট্ৰীয় পথৰ দুয়ো কাষে "ৰিব ডেভেলপমেন্ট" বন্ধ কৰিবলৈ আৰু বেটাৰমেন্ট লেভি টেক্স লগাবলৈ এখন আইন কৰিবলৈ প্ৰয়োজন বুলি বিবেচনা কৰা হয়। এইটো কৰিব পাৰিলে আমাৰ যাতায়তত যথেষ্ট সুবিধা হব। সেই কাৰণে আমাৰ মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই যিটো কৈছে সেইটো নহয়, ২৫২ ত পালিয়ামেন্টত আছে।

Article-252. Power of Parliament to Legislate for two or more States by consent and adoption of such legislation by any other State (1) If it appears to the Legislatures of two or more States to be desirable that any of the matters with respect to which Parliament has no power to make laws for the States except as provided in Acts 249 and 250 should be regulated in such States by Parliament by law and if resolutions to that effect are passed by all the Houses of the Legislatures of these States, it shall be lawful for Parliament to pass an Act for regulating that matter accordingly, and any Act so passed shall apply to such States and to any other State by which it is adopted afterwards by resolution passed in that behalf by the House, or where there are two Houses, by each of the Houses of the Legislature of that State

এইটো এৰছৰৰ কাৰণে প্ৰযোজ্য হব। তাৰ পিছত সেইটো চাই আপোনালোকে এক্সটেনচন দিলে প্ৰযোজ্য থাকিব। এতিয়া মাঠোন ৰিবন ডেভেলপমেণ্টৰ কাৰণে বাটৰ কাষে কাষে মাটি অধিগ্ৰহণ হৈ আছে সেই মাটিৰ টকা নিশ্চয় দিয়া হব। এম, এন, পিৰ মাটি ৰাইজে দিয়ে। সেই মাটিৰ ক্ষতি পূৰণ পোৱা কেতিয়াবা পলম হয়। ৰাষ্ট্ৰীয় পথ বা গড়-কাপ্তানী পথৰ ৰাষ্টা বন্ধাৰ পিছত মাটিবিলাকৰ মূল্য বাঢ়ি যায়। দি, চি, আৰু ৰাজহ বিভাগে বান্ধি দিয়া মূল্যত মালিক সকলে স্থিত হোৱাত কিছু পলম কৰে আৰু সেই-দৰে টকা পোৱাত দেৰি হয়। কিন্তু মীমাংসা হৈ যোৱা বিলাকৰ টকা পায়। এই ৰাষ্ট্ৰীয় পথ কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণত আছে। ৰাস্তাৰ কাষে কাষে দোকান পোহাৰ বাঢ়ি যোৱাৰ কাৰণে দুঘৰ্টনা বেছি হয়। সেই কাৰণে এই বিলাকত যাতে বাধা প্ৰদান কৰিব পাৰো আৰু ৰাস্তাৰ কাষত যাতে বেদখল হয় তাৰ ব্যৱস্থা কৰিবৰ কাৰণে এইটো আনিছো।

Shri BENOY KUMAR BASUMATARY :—Sir after going through the Rule Book, I have only one more point. Sir, whether this is a resolution under Rule 115 of Rules of Procedure and Conduct of Business or under Rule 72. Would the Hon'ble Minister, P. W. D· kindly enlighten us ?

Shri ABDUL MUHIB MAZUMDAR (Minister, Parliamentary Affairs) :—I request the Hon'ble Speaker to kindly allow me to Speak. The Resolution which has been placed before the House by the Minister, P. W. D. because of the Constitutional Provision under Article-252. Under Article-252 of the Constitutional it is laid down that the Act that has been passed by the Parliament and it is passed for the interest of several States and if any State wants to adopt the law passed by Parliament, it may do so, it shall be lawful for the Parliament to pass an Act for regulating that matter accordingly, and any Act so passed shall apply to such States and to any other State by which it is adopted afterwards by resolution passed in that behalf by the House or where there are two Houses, by each of the House of the Legislature of that State. Since it is a National Highways Act, the Highways declared to be National Highways by or under that Act come under the Legislative Jurisdiction of the Central Government. The Clauses make it clear that all matters pertaining to the use of the land adjoining National Highways, e. g. restriction of ribbon developments, control of access, removal of encroachment, control of road side land use, levy of betterment charges etc. fall within the legislative jurisdiction of State and included as item No. 13 of the State List. This Assembly, therefore, conisders that it is, desirable to pass an Act to secure uniformity in the rules' regulations, procedure etc. Now with this, the Minister, P. W. D. has come forward under Article-252 to secure Resolution from this House otherwise the extent of law passed by the Central Government will not be applicable in this State. Sir, I remember, the Hon'ble Minister, P. W. D. has already explained that there is a great demand from the House itself that all along the National Highway, there is an encroachment, there are shops adjacent to the National Highway and other structures in the road side and there was very stringent criticism about this matter and the Minister, P. W. D. wants to take the

help of this House. It is also known that the Parliament has necessary power under Article 249 of the Constitution to legislate with respect to any matter in the State list in the national interest, the tenure of such legislation is limited to a period not exceeding one year. It is for the interest of the State and for this purpose this House resolves that the Parliament may be requested to pass an Act for regulating the matters mentioned, in the Resolution. Shri Benoy Kumar Basumatary has, now, raised the question that whether this is a Resolution under Rule 115. Rule 115 states that a member who wishes to move a resolution shall give 10 clear days notice before the date appointed for the disposal of private members' resolutions and shall together with the notice submit a copy of the resolution which he wishes to move. Sir, obviously this does not refer to the Rule 115 and it relates to Article-252 and Minister, P. W. D. has come forward to take the help of this House with a resolution that has to be passed.

Shri BENOY KUMAR BASUMATARY :—Sir, the point that is elucidated by the Hon'ble Law Minister, needs to be further clarified. Sir, whatever business this House undertakes should be legal and as per rules. Sir, if it is a resolution under Rule 115, then it is only a member who can move the resolution. Government cannot move the resolution. Sir, there is another point i. e., under Rule 131(1) and under which a motion on a matter of general public interest can be discussed only with the consent of the Speaker. I want to get a clarification from the Hon'ble Minister.

Mr. SPEAKER —Hon'ble Member wants to know. whether the Minister has moved the resolution under Rule 115 and he has already said that a member other than a Minister can move a resolution under this Rule She is a Minister —but there is one thing, almost all the resolutions are first made under Rule 115 but under Rule 117, subject to the provisions of this Rule, a Member or a Minister may move a resolution relating to a matter of general public interest.

Shri BENOY KUMAR BASUMATARI —Thank you very much Sir. But there is something wrong in the notice. The proper form should be under Rule 117 but this form is not followed.

Shri ABDUL MUHIB MAZUMDER, (Minister) :—It is absolutely legal. If an authority with jurisdiction to pass an order, passed an order then mentioning of a wrong section does not make it incorrect.

Mr. SPEAKER :—The Hon'ble member is so good that he has made the discussion very lively. Now, I put the resolution before the House. "Whereas with the coming into force of the National Highways Act, 1956, the Highways declared to be National Highways by or under that Act came under the Legislative jurisdiction of the Central Government;

Whereas all matters pertaining to the use of the land adjoining National Highways, e. g., restriction of ribbon developments, control of access, removal of encroachment, control of road side land use, levy of betterment charges etc., fall within the legislative jurisdiction of State and included as item No. 13 of the State list ;

Whereas this Assembly considers that it is desirable to pass an Act to secure uniformity in the rules, regulation, procedure etc., throughout India ;

Whereas the Parliament has necessary power under Article 249 of the Constitution to legislate with respect to any matter in the State list in the national interest, the tenure of such legislation is limited to a period not exceeding one year.

Now, therefore, in exercise of powers conferred by clause (I) of Article 252 of the Constitution of India this Assembly resolves that the Parliament be requested to pass an Act for regulating the matters mentioned above."

The resolution is passed.

Now, Item No. 6 (a).

Raj Bhavan,
Shillong.

February 28, 1985.

Under the provision of Article 207(3) of the Constitution of India, I, Bhishma Narain Singh, Governor of Assam, recommend that the Assam Legislative Assembly Members' Salaries, Allowances and Pensions (Amendment) Bill, 1985, be taken into consideration by the Assam Legislative Assembly.

Sd/-
(Bhishma Narain Singh)
Governor of Assam.

Shri MOHAMMAD IDRIS (Minister) :—Mr. Speaker Sir, I beg to move that the Assam Legislative Assembly, Members' Salaries, Allowances and Pansions (Amendment) Bill, 1985 be taken into consideration.

Shri BENOY KUMAR BASUMATARI :—Sir, I have nothing to oppose because the value of rupee today is only 19 p. and the inflation since 1964 is 424% all over the country and this Bill that is proposed to be amended is only for pensioners ; it is not for us. Therefore, Sir, those who have served the country, the State and those who are languishing under poverty it is our bounden duty to help them. With this we support the Bill and hope that we will look after our members always.

Shri MOHAMMAD IDRIS (Minister) :—Mr. Speaker, Sir, I am grateful to Hon'ble Member that he has appreciated the measure of legislation which is only to compensate, to give some extra benefit to those ex-MLAs and they are not many only a few. So this benefit will be extended to persons who had the opportunity to serve the country and fight for freedom and made many sacrifices. Therefore, this measure was brought before the Houes only to ease their difficulty in these difficult times.

Mr. SPEAKER :—Now I put the motion that the Assam Legislative Assembly Members' Salaries, Allowances and Pensons (Amendment) Bill, 1985 be taken into consideration.

(The motion is passed.)

Now, Item No. 6(b). There is no amendment to the Bill. So I put Clause 2. Clause 2 does form part of the Bill.

(The motion was adopted)

Now, I put Clause 1, Preamble, Enacting formula and Short title of the Bill.

Clause 1, Preamble, Enacting formula and the Short title do form part of the Bill.

(The motion was adopted)

Item No. 6(c).

Shri MOHAMMAD IDRIS (Minister) :—Mr. Speaker, Sir, I beg to move that the Assam Legislative Assembly Members' Salaries, Allowances and Pensions (Amendment) Bill, 1985 be passed.

Mr. SPEAKER :—Now, I put the motion that the Assam Legislative Assembly Members' Salaries, Allowances and Pensions (Amendment) Bill, 1985 be passed.

The motion is pased. The Bill is passed.

The House stands adjourned till 10 A. M. tomorrow the 2nd April, 1985.

## ADJOURNMENT

The House then rose at 11-21 A. M. and stood adjourned till 10 A. M. on Tuesday the 2nd April, 1985.

Dated Dispur:
The 1st April, 1985.

Dr. P. N. HAZARIKA,
Secretary,
Assam Legislative Assembly.

AGP. (Mini) L. A. 62/87—1500—20-4-88